জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৭/২০২২

অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি,২০২১ ৰ অধীনত তিনিচুকীয়া জিলাৰ হিতাধিকাৰীসকললৈ ধনৰাশিৰ চেক প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## কৰ্মসংস্কৃতিৰে বলীয়ান জাতি নিৰ্মাণৰ বাবে আত্ম উৎসৰ্গাৰে কাম কৰিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

## শ্ৰীশ্ৰী মায়ামৰা দিনজয় সত্ৰত সদ্যপ্ৰয়াত সত্ৰাধিকাৰ যোগদানন্দ গোস্বামীৰ প্ৰতি মুখ্যমন্ত্ৰীৰ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

## দেশবাসীৰ মঙ্গলাৰ্থে দিচাম দেৱ সত্ৰত সেৱা জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৪ ফেব্ৰুৱাৰী ঃ** মাইক্ৰ'ফাইনেন্স সংস্থাসমূহৰ পৰা ক্ষুদ্ৰ ঋণ গ্ৰহণ কৰা মহিলাসকলক উদগনি আৰু সকাহ দানৰ ক্ষেত্ৰত নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়াৰ জানমুখ খেলপথাৰত আয়োজিত এক কাৰ্যসূচীত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ অধীনত জিলাখনৰ হিতাধিকাৰীসকললৈ ধনৰাশিৰ চেক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। তিনিচুকীয়া জিলাত আজি সৰ্বমুঠ ৫ হাজাৰ গৰাকী প্ৰথম শ্ৰেণীৰ (নিয়মীয়া পৰিশোধকাৰী) হিতাধিকাৰীয়ে এই আঁচনিখনৰ অধীনত ধনৰাশিৰ চেক লাভ কৰিবলৈ সক্ষম হৈছে। জিলাখনত প্ৰথম পৰ্যায়ত সৰ্বমুঠ ২২,৬৭৪ গৰাকী হিতাধিকাৰীয়ে এই আঁচনিৰ অধীনত সকাহ লাভ কৰিব। প্ৰথম শ্ৰেণীৰ ঋণীক ২৫ হাজাৰ টকা অথবা মুঠ অনাদায় ঋণৰ যিটোৱে কম সেই পৰিমাণৰ উদগনিমূলক সাহায্য চেকৰ জৰিয়তে প্ৰদান কৰাৰ পদক্ষেপ লোৱা হৈছে।

এই উপলক্ষে আয়োজিত জনাকীৰ্ণ সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনত কৰ্ম সংস্কৃতি গঢ়ি তোলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি কয় যে পৰিৱৰ্তিত সময়ে আনি দিয়া নতুন পৰিৱেশৰ সুযোগ লৈ আমি এখন নতুন অসম নিৰ্মাণ কৰিব লাগিব। তেওঁ কয় যে আজি অসমত যদি এটাই প্ৰয়োজনীয়তা আছে সেয়া হৈছে— কৰ্ম সংস্কৃতি। অসমত আমি কাম কৰাৰ মানসিকতা গঢ় দিব লাগিব। যেতিয়াই আমি কাম কৰাৰ মানসিকতা গঢ় দিব পাৰিম তেতিয়াই আমাৰ অসমখন বৰ্তমান অৱস্থাৰ পৰা বহুদূৰ আগুৱাই যাব। কণীকে ধৰি বহুবোৰ সামগ্ৰী এতিয়াও বহিঃৰাজ্যৰ পৰা আমদানি কৰিব লগা হয় বুলি আক্ষেপ প্ৰকাশ কৰি ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ পৰিপ্ৰেক্ষিততে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদনৰ সিংহভাগ ধন বহিঃৰাজ্যলৈ গুচি যায়। অনে অৱস্থাৰ অৱসান ঘটাই কৰ্ম সংস্কৃতিৰ জৰিয়তে এখন নতুন অসম নিৰ্মাণৰ সময় আহি পৰিছে বুলি তেওঁ মন্তব্য কৰে। এই ক্ষেত্ৰত ৰাজ্যৰ মহিলা সমাজে বিশেষ ভূমিকা গ্ৰহণ কৰি নিজে উৎপাদনৰ কামত নামি পৰাৰ লগতে আনকো যদি কৰ্মৰ প্ৰতি উৎসাহিত

কৰাৰ পদক্ষেপ গ্ৰহণ কৰে তেন্তে এটা কৰ্মমুখী জাতি গঢ়ি তুলিব পৰা যাব বুলি তেওঁ কয়। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ উদ্ধৃতিৰে মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে অসমৰ দৰে বিশাল ৰাজ্য এখনে স্বাধীনতাৰ ৭৫ বছৰ পিছতো যদি আত্মনিৰ্ভৰশীল হ'ব নোৱাৰে তেনেহ'লে বিশ্বই আমাক হাঁহিব। মুখ্যমন্ত্ৰীয়ে কয় যে মা আৰু মাটিক যদি আমি ভালপাওঁ তেন্তে অসমত এটা নতুন পৰিৱেশ নিৰ্মাণ কৰিব লাগিব। অহা ১০ বছৰত যদি আমি ৰাজ্যখনত এটা কৰ্ম সংস্কৃতিৰ আন্দোলন গঢ়ি তুলিব পাৰো, তেতিয়া ৰাজ্যখনে বিকাশ আৰু প্ৰগতিৰ নতুন শিখৰ চুবলৈ সক্ষম হ'ব। কৰ্ম সংস্কৃতিৰে বলীয়ান জাতি এটা গঠনৰ বাবে আত্ম উৎসৰ্গাৰে কাম কৰি যাবলৈও ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উপস্থিত জনসাধাৰণক আহ্বান জনায়।

ৰাজ্যৰ জনসাধাৰণৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে কেইবালানিও পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে পৰ্যায়ক্ৰমে জনসাধাৰণলৈ প্ৰদান কৰা সেৱাসমূহ ডিজিটেল ব্যৱস্থাৰে প্ৰদানৰ পদক্ষেপ লৈছে। এনে পদক্ষেপৰ আধাৰতে জাতিগত প্ৰমাণপত্ৰও শিক্ষাৰ্থীক বিদ্যালয়তে প্ৰদানৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰ বাবে প্ৰায় এবছৰৰ প্ৰয়োজন হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে মন্তব্য কৰে যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এইধৰণৰ পদক্ষেপলানিয়ে জনসাধাৰণক চৰকাৰী সেৱাসমূহ লাভত যথেষ্ট সহায় কৰিব।

উল্লেখ্য যে, তিনিচুকীয়া জিলাৰ উপৰি হোজাই, দৰং, নলবাৰী, লখিমপুৰ, কৰিমগঞ্জ, নগাঁও, মৰিগাঁও, গোৱালপাৰা, হাইলাকান্দি আৰু বৰপেটা জিলাত আজিৰে পৰা মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ ৰ অধীনত সকাহ প্ৰদানৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। প্ৰথম পৰ্যায়ত বিগত বৰ্ষৰ ২৮ নৱেম্বৰত শোণিতপুৰ জিলাত এই আঁচনিখন শুভাৰম্ভ কৰা হৈছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনৰ অৱশিষ্ট জিলাসমূহৰ হিতাধিকাৰীসকলক অহা মাৰ্চ মাহত সাহায্য ধনৰাশিৰ চেক প্ৰদান কৰা হ'ব।

আজিৰ অনুষ্ঠানত তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী তথা কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে বলিন চেতিয়া, ভাস্কৰ শৰ্মা, সুৰেন ফুকন, ৰূপেশ গোৱালা, পোনাকন বৰুৱা, সুশান্ত বৰগোঁহাই আৰু তৰংগ গগৈৰ উপৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে আজি চাবুৱাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী মায়ামৰা দিনজয় সত্ৰত উপস্থিত হৈ সদ্যপ্ৰয়াত সত্ৰাধিকাৰ তথা সাংস্কৃতিক সাধক, বিশিষ্ট শিক্ষাবিদ যোগদানন্দ গোস্বামীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি ডুমডুমাৰ দহোতীয়া গাঁওস্থিত দিচাম দেৱ সত্ৰলৈ গৈ সেৱা আগবঢ়াই সত্ৰখনৰ ভকত, আই-মাতৃসকলৰ সৈতে কিছু সময় অতিবাহিত কৰাৰ উপৰি ৰাজ্যখনৰ সকলোৰে সু-স্বাস্থ্য, শান্তি তথা সমৃদ্ধি আৰু ৰাজ্যখনৰ সৰ্বাংগীন কল্যাণৰ হেতু সেৱা আগবঢ়ায়।

**নিঃকুঃদাঃ**

***৪-২-২০২২***